# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 07-12-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

চাৰিগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে আজি অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হয়। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত বিশেষ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই নতুন মন্ত্ৰীকেইগৰাকীক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। এই সম্প্ৰসাৰণৰ জৰিয়তে ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, লক্ষীপুৰৰ বিধায়ক কৌশিক ৰায়, পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পাল আৰু ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালাক নতুনকৈ মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰা হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা প্ৰশান্ত ফুকনে ডিব্ৰুগড় সমষ্টিৰ পৰা ৪ বাৰকৈ বিধায়ক হিচাপে নিৰ্বাচিত হৈছে। তেঁও অসম উদ্যোগিক উন্নয়ন নিগমৰ অধ্যক্ষ আৰু অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰিচালনা সমিতিৰ অধ্যক্ষ পদতো নিয়োজিত আছিল। একেদৰে পাথাৰকান্দি সমষ্টিক প্ৰতিনিধিত্ব কৰা নৱনিযুক্ত মন্ত্ৰী কৃষ্ণেন্দু পালে সমষ্টিটোৰ পৰা ২০১৬ আৰু ২০২১ চনত বিধায়ক হিচাপে নিৰ্বাচিত হৈছে। আনগৰাকী মন্ত্ৰী কৌশিক ৰায় লখিমপুৰ সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হৈছে। ডুমডুমা সমষ্টিৰ বিধায়ক নৱনিযুক্ত মন্ত্ৰী ৰূপেশ গোৱালাইও প্ৰথমবাৰৰ বাবে সমষ্টিটোৰ বিধায়ক হিচাপে প্ৰতিনিধিত্ব কৰিছে। আজি সন্ধিয়াৰ ভিতৰত মন্ত্ৰীসকলৰ বিভাগসমূহ ঘোষণা কৰাৰ সম্ভাৱনা আছে।

ooooo

২০২৫ৰ ভিতৰত ভাৰতবৰ্ষক যক্ষ্মা মুক্ত কৰাৰ উদ্দেশ্যে দেশজুৰি কেন্দ্ৰীয় চৰকাৰে যক্ষ্মা ৰোগ নিৰ্মূলৰ বাবে এশদিনীয়া কাৰ্যসূচী গ্ৰহণ কৰিছে। সেই অনুসৰি ৰাজ্যজুৰি যক্ষ্মা নিৰ্মূল অভিযানৰ আজি শুভাৰম্ভ কৰা হয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল প্ৰেক্ষাগৃহত আজিৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য উপস্থিত থকাৰ লগতে বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু অতুল বৰাইও অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অভিযানৰ অধীনত ৰাজ্যৰ ১৭ খন জিলাক অন্তৰ্ভুক্ত কৰা হৈছে।

এই উপলক্ষে **বৰপেটা** জিলাত আজি তৰুণৰাম ফুকন ৰঙ্গমঞ্চত উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত জিলাখনৰ স্বাস্থ্যকৰ্মীসকল উপস্থিত থাকে। বৰপেটা জিলাত ৫৯৮ গৰাকী যক্ষ্মা ৰোগীৰ চিকিৎসা অব্যাহত আছে। অভিযানৰ আৰম্ভ কৰি জিলা আয়ুক্ত গীতাশ্ৰী লাচিতে কয়, যে এশ দিনৰ অভিযানত সজাগতামূলক কাৰ্যসূচী, যক্ষ্মা ৰোগী আদি চিনাক্তকৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। **কাৰ্বি আংলং** জিলাতো যক্ষ্মা ৰোগ মুক্ত কৰাৰ উদ্দেশ্যেৰে এশদিনীয়া অভিযানৰ আৰম্ভ কৰা হৈছে। এই উপলক্ষে জিলা স্বাস্থ্য সেৱা বিভাগৰ যুটীয়া সঞ্চালকৰ কাৰ্যালয়ত এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত উপস্থিত থকা স্বাস্থ্য সেৱা বিভাগৰ যুটীয়া সঞ্চালক বৰচিং ৰংপিয়ে জিলাখনত বৰ্তমান এহেজাৰ ৩৯ গৰাকী যক্ষ্মা ৰোগী আছে বুলি জানিবলৈ দিয়ে। **মৰিগাঁও** জিলাৰ অসামৰিক চিকিৎসালয়ত আজি যক্ষ্মা ৰোগ মুক্ত কৰাৰ

উদ্দেশ্যেৰে এশদিনীয়া অভিযানৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। জিলা যক্ষ্মা ৰোগ বিষয়া ডঃ অমৰজ্যোতি ডেকাই এই অভিযানৰ লক্ষ্য আৰু উদ্দেশ্য ব্যাখ্যা কৰে। আগতীয়াকৈ যক্ষ্মা ৰোগ চিনাক্ত কৰি ইয়াৰ চিকিৎসা কৰা আৰু সম্পূৰ্ণৰূপে এই ৰোগ নিৰ্মূল কৰাই হৈছে এই অভিযানৰ মূল উদ্দেশ্য।

০০০০০

কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ সম্ভাৱনাসমূহ বিকশাই তুলি অঞ্চলটোৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে প্ৰচেষ্টা চলাই আছে বুলি আজি উত্তৰ পূৰ উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাশ কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত অষ্টলক্ষ্মী মহোৎসৱৰ আজিৰ কাৰ্যসূচীত অংশ লৈ মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কালি মুকলি কৰা ৩ দিনীয়া এই মহোৎসৱত ২৫০গৰাকীৰো অধিক শিল্পীয়ে হস্তশিল্প, হস্ততাঁত, বস্ত্ৰ, উদ্যানশস্যৰ উপৰি ৩৪ বিধ ভৌগলিক সূচ্যাংক অৰ্থাৎ জি আই টেগ থকা সামগ্ৰী প্ৰদৰ্শন কৰা হৈছে। মহোৎসৱৰ কাৰ্যসূচীৰ অংশ হিচাপে ক্ৰেতা বিক্ৰেতাৰ সন্মিলন, ফেশ্বন শ্বো আদিও অনুষ্ঠিত হৈছে। আজিৰ অনুষ্ঠানত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই অংশ লৈ এই মহোৎসৱে বিভিন্ন ক্ষেত্ৰৰ লোকসকলক একত্ৰিত কৰিবলৈ সমৰ্থ হোৱা বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰীয়ে কালি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অষ্টলক্ষ্মী মহোৎসৱ মুকলি কৰি দেশৰ বিকাশ ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ অপাৰ সম্ভাৱনা আছে বুলি মন্তব্য কৰিছিল। গুৱাহাটী, আগৰতলা, গেংটক, আইজল, শ্বিলং, ইটানগৰ আৰু ক'হিমাৰ দৰে উত্তৰ পূৰ্বাঞ্চলৰ ভালেমান চহৰৰ মহানগৰসমূহৰ দৰে বৃহৎ সম্ভাৱনা আছে বুলিও শ্ৰীমোদীয়ে মন্তব্য কৰিছিল। অষ্টলক্ষ্মী মহোৎসৱৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি শ্ৰীমোদীয়ে প্ৰথম আৰু অনন্য এই মহোৎসৱে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত বিনিয়োগৰ অপাৰ সুযোগ মুকলি কৰিব বুলিও আশা প্ৰকাশ কৰিছিল। কাইলৈ মহোৎসৱৰ সামৰণি পৰিব।

০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ সাপ্তাহিক দৃষ্টিপাত অনুষ্ঠানত আজি নিশা আঠ বাজি দুই মিনিটত বনভোজৰ বতৰ- হাঁহি-ধেমালি, পৰিবেশ আৰু ইয়াৰ প্ৰভাৱ শীৰ্ষক এটা অনুষ্ঠানৰ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ লগতে অৰুণিমা গোস্বামী আৰু পৰিস্মিতা দিহিঙ্গীয়া এই অনুষ্ঠানত উপস্থিত থাকিব। টেলিফোনযোগে আমাৰ সংবাদদাতা আৰু কিছু সচেতন ব্যক্তি এই অনুষ্ঠানত সংযোজিত হ'ব।

০০০০০

সমাপ্ত